# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-MAY-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————————

১। অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক।

২। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ অহা ২৮ মে'ত জামিনৰ ৰায়।

৩। জনজাতীয় লোকসকলৰ কল্যাণৰ লক্ষ্যৰে বিভিন্ন জিলাত **জন ভাগিদাৰী- সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ। **আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদ মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থা পৰ্যালোচনাৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাৰ অন্তত ড০ শৰ্মাই সামগ্ৰীৰ মূল্যৰ ভাৰসাম্য ৰাখিবলৈ আৰু যিকোনো অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। ইয়াৰ মাজত- জিলা আয়ুক্তৰ নেতৃত্বত তিনি-চাৰিদিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠকৰ আহ্বান, দোকান আৰু পাইকাৰী বিপণীসমূহত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা, জিলা আয়ুক্ত-চেম্বাৰ আৰু বাণিজ্যিক সংস্থাসমূহৰ মাজত সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আয়োজন কৰিবলৈ দিয়া নিৰ্দেশ অন্যতম। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ আসোঁৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যা সমাধান কৰাত চৰকাৰ সদায় সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দৃঢ় স্থিতি প্ৰকাশ কৰিছে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় অহা ২৮ মে'ত প্ৰদান কৰিব। আজি অভিযুক্ত আৰু চৰকাৰী পক্ষৰ যুক্তি শুনাৰ পাছত আদালতে শেখৰ জ্যোতি গোস্বামীৰ জামিনৰ ৰায় প্ৰদানৰ বাবে ২৮ মে'ৰ দিনটো ধাৰ্য্য কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ ২ অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে। ইপিনে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টেটক আদালতে অহা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ সন্দৰ্ভত ৰায় দান কৰিব। এই শুনানিৰ সন্দৰ্ভত এগৰাকী অধিবক্তাই এইদৰে কয়। .

...... **বাইট** .......

০০০০০

ড'নাৰ মন্ত্ৰালয়ে উত্তৰ পূৰ্বাঞ্চলৰ এৰী ৰেচম বস্ত্ৰ আৰু ৰাজস্থানৰ কোটা দৰিয়া সূতাৰ সংমিশ্ৰণত নতুন বস্ত্ৰ উৎপাদন কৰি ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত দুয়োবিধ বস্ত্ৰৰ প্ৰসাৰৰ লক্ষ্য স্থিৰ কৰিছে। এই সংক্ৰান্তত ড'নাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজুৱে কালি ৰাজস্থানৰ কোটা জিলা প্ৰশাসনৰ মুৰববীৰ সৈতে আলোচনা কৰে। জাজুৰ নেতৃত্বৰ দলটোৱে শিপিনী, হস্তশিল্পী আৰু ফেশ্বন ডিজাইনাৰসকলৰ সৈতেও এই বিষয়টো লৈ আলোচনা কৰে। এই আলোচনাত এৰী ৰেচমৰ সৈতে কোটা দৰিয়াৰ সংমিশ্ৰণেৰে উচ্চ মান সম্পন্ন, আৰামদায়ক আৰু সুন্দৰ বস্ত্ৰ উৎপাদনৰ বিভিন্ন দিশ চালি-জাৰি চোৱা হয়। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বস্ত্ৰ উৎপাদনৰ ক্ষেত্ৰত গ্ৰহণ কৰা সংহত দৃষ্টিভংগী আৰু এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ নীতি অনুসৰি বস্ত্ৰ খণ্ডত এই সমন্বয় আৰু সাংস্কৃতিক সংমিশ্ৰণৰ অনবদ্য পদক্ষেপ লোৱা হৈছে।

০০০০০

জনজাতীয় লোকসকলৰ মাজত চৰকাৰী কল্যাণমূলক আঁচনিৰ বিষয়ে সজাগতা সৃষ্টিৰ লগতে যোগ্য হিতাধিকাৰীক প্ৰাপ্য সুবিধা প্ৰদানৰ বাবে বিভিন্ন জিলাত **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। মৰিগাঁও জিলাত আয়ুক্ত কাৰ্যালয়ত আজি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। অভিযানৰ অধীনত অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অভিযানৰ অংশ হিচাপে ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযান ৰূপায়ণ কৰা হ'ব। যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড কপিলি, মায়ং, ভূৰবন্ধা আৰু ভুৰাগাঁৱৰ ৬৮ খন জনজাতীয় গাঁও শিবিৰ মুকলি কৰা হ'ব।

গোৱালপাৰা জিলাৰ আমজোঙাত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দুধনৈ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক তথা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষধৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলাখনৰ ৰংজুলি, দুধনৈ, শ্ৰীসূৰ্যগিৰি, পাইকান, বালিজানা আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত অভিযানৰ কাৰ্যসূচী লোৱা হ'ব।

দৰং জিলাতো আজি **জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে** শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। জিলা উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই সঞ্চালনা কৰা এই অনুষ্ঠানত

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি বড়ো সাহিত্য সভাৰ উদ্যোগত ৬৪ সংখ্যক বড়ো মাধ্যম দিৱস উদযাপন কৰা হয়। বাক্সা জিলাৰ শালবাৰীত শালবাৰী বড়ো সাহিত্য সভাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মানাহ সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে অংশ লৈ এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই অনুষ্ঠানত শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জগত চন্দ্ৰ বসুমতাৰী, নিখিল বড়ো ছাত্ৰ সন্থাৰ উপ-সভাপতি উমেশ দৈমাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সম্ভাব্য বিমান আক্ৰমণৰ সময়ত ল'বলগীয়া সাৱধানতামূলক ব্যৱস্থাসমূহৰ ওপৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া উত্তৰ লখিমপুৰ নগৰত জৰুৰীকালীন অনুশীলনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে জাৰি কৰা জাননী অনুসৰি কাইলৈ সন্ধিয়া ৬ বাজি ১৫ মিনিটৰ পৰা ৭ বাজি ১৫ মিনিটৰ ভিতৰত এই প্ৰস্তুতিমূলক আখৰা কৰা হ'ব। সেয়েহে এই সময়ছোৱাত বিপদ সংকেত বাজি উঠাৰ লগে লগে সকলো লাইট নুমুৱাই দি পুনৰ চাইৰেন বাজি নুঠালৈকে অঞ্চলটো আন্ধাৰ কৰি ৰাখিবৰ বাবে জিলা প্ৰশাসনে নিৰ্দেশনা জাৰি

কৰিছে। এই প্ৰস্তুতিমূলক আখৰা সফল কৰি তুলিবৰ বাবে জিলা প্ৰশাসনে লখিমপুৰবাসীৰ সহায়-সহযোগিতা কামনা কৰিছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ত তিনিমাহ ধৰি চলি থকা **পৰ্যটন আৰু আতিথ্য ব্যৱস্থাপনা** শীৰ্ষক পাঠ্যক্ৰমৰ আজি সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ মুক্ত আৰু দূৰ শিক্ষা সঞ্চালকালয়ৰ তত্বাৱধানত সম্পন্ন হোৱা এই পাঠ্যক্ৰমৰ আজি সামৰণি অনুষ্ঠানত ১৯ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানটোত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ দ্বীপজ্যোতি ৰাজখোৱা, অধ্যাপিকা ড০ স্বপ্নালী বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আজি গুৱাহাটীত হাইস্কুল শিক্ষান্ত পৰীক্ষা, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। কামৰূপ মহানগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ সহযোগত আজি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি প্ৰকল্পত আয়োজিত অনুষ্ঠানত ১৩২গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা বিদ্যালয়সমূহৰ অধ্যক্ষসকলকো এই অনুষ্ঠানতে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ হিতেশ ডেকা আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া দিগন্ত বৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত